DAILY ASSAM




# পানী

D4Z8A1

ক্ষ্ম ঙ্গ



মোক তোমালোকে নৈ-বিল, জান-জুৰি আৰু হয়তো নলী-নাদ, নলৰ মুখত দেখা। কিন্তু জানানে বাৰু, মই যে থাকোঁ বায়ুৰ লগত, জীৱৰ দেহত, মাটিৰ তলত। তেনেহ'লে মই নাথাকোঁ ক'ত?



সকলোৱে কয় মোৰ হেনো আকাৰ নাই!
ক'তা, মই দেখোন প্ৰকাণ্ড পাত্ৰ আৰু
ক্ষুদ্ৰ পাত্ৰৰো আকাৰ ল'ব পাৰোঁ।
মই য'তেই থাকোঁ তাৰেই আকাৰ লওঁ।
মই কেতিয়াবা উটুৱায়ো লৈ যাওঁ,
সুৰঙ্গৰ মাজেদিও যাওঁ
আৰু সূক্ষ্ম ছিদ্ৰৰ সুৰুঙাও লওঁ।
মোৰ পিছে কেতিয়াও বৈ থকাৰ
ইচ্ছা নাই। অবিৰাম বৈ থাকিবলৈহে
মন যায়। মোৰ অকণো দুখ-ভাগৰ,
জিৰণি নাই। ভাপ হৈ আকাশলৈ উৰোঁ,
বৰষুণ হৈ পুনৰ ধৰালৈ ঘূৰোঁ।



মই মোৰ ৰূপ সলাবও পাৰোঁ। জাৰত যেতিয়া ঠেঁটুৱৈ ধৰে, তেতিয়া মই গোট মাৰোঁ। তাপ পালে আকৌ ভাপ হৈ উৰোঁ। মোৰ ভাপতে যন্ত্ৰ চলে আৰু মোৰ বলতেই বিজুলী চাকিও জ্বলে।

তোমালোকে মোৰ যহতে মাছে-ভাতে খোৱা, শাক-পাচলি, ফল-মূল পোৱা। তাৰ পাছতো মোৰ সোৱাদ নাই বুলি কোৱা।

মই যে কেৱল ৰূপহে সলাব পাৰোঁ তেনে নহয়; স্থান, কাল, পাত্ৰ ভেদে মাত-বোলো সলনি কৰোঁ। পাহাৰৰ পৰা নামি আহোঁতে শিলৰ লগত কুলু-কুলুকৈ কথা পাতোঁ, উতলিলে বক্ বকাওঁ আৰু সৰি পৰোঁতে টপ্ টপাওঁ।

ভাবিছানে কেতিয়াবা, মই কেনেকৈ আকাশত উৰোঁ আৰু কেনেকৈ তললৈ সৰোঁ? কেতিয়াবা যদি মই নোহোৱা হওঁ নাইবা পৃথিৱীখন বুৰাই থওঁ— তেতিয়া কি হ'ব বাৰু?

## ক — পাঠভিত্তিক ক্ৰিয়া

**ক্ৰিয়া-কলাপ**



**উত্তৰ দিয়া।**

**নৈ-বিল, জান-জুৰি, নলী-নাদ আদিৰ উপৰি পানী আৰু ক'ত ক'ত থাকে?**



**উত্তৰ দিয়া।**

(ক) আমি পানী ক'ত ক'ত পাওঁ?

(খ) পানী কি কি অৱস্থাত থাকে?

(গ) পানী উতলিলে কেনে শব্দ হয়?

(ঘ) পাহাৰৰ পৰা পানী বাগৰি আহিলে কেনে শব্দ হয়?



**'মই য'তেই থাকোঁ তাৰেই আকাৰ লওঁ।' —পাঠটোত পানীয়ে কি কি আকাৰ লোৱাৰ কথা কৈছে?**

তলৰ শব্দবোৰৰ অৰ্থ দলত আলোচনা কৰি লিখা।

| শব্দ | অৰ্থ |
|---|---|
| আকাৰ | |
| সূক্ষ্ম | |
| ছিদ্ৰ | |

| শব্দ | অৰ্থ |
|---|---|
| অবিৰাম | |
| সুৰুঙা | |
| ধৰা | |

উত্তৰ দিয়া।

(ক) পানী ভাপ হৈ ক'লৈ যায়?

(খ) পানী বৰষুণ হৈ ক'লৈ নামি আহে?

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা

সূক্ষ্ম ক্ষ্ম = ক্ষ + ম ক্ষই মই ক্ষ্ম

| | | | | | |
|---|---|---|---|---|---|
| ক্ষ্ম | ক্ষ + ম | ক্ষই | মই | ক্ষ্ম | সূক্ষ্ম, যক্ষ্মা, লক্ষ্মী |
| ঙ্গ | ঙ + গ | ঙই | গই | ঙ্গ | অঙ্গ, সঙ্গ, সুৰঙ্গ |

যুক্তাক্ষৰ গঠন কৰোঁ আহা

| | | | |
|---|---|---|---|
| ক্ষ + ম | ক্ষই | মই | ক্ষ্ম |
| ঙ + গ | ঙই | গই | ঙ্গ |

পঢ়োঁ আহা

| | | | |
|---|---|---|---|
| সূক্ষ্ম | লক্ষ্মী | লক্ষ্মণ | লক্ষ্মীনাৰায়ণ |
| সুৰঙ্গ | ৰঙ্গ | প্ৰসঙ্গ | প্ৰাসঙ্গিক |

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

লীনাই কথাবোৰ সূক্ষ্মভাৱে বিবেচনা কৰে।

শৰৎ কালত লক্ষ্মীপূজা পালন কৰা হয়।

সঙ্গ দোষত মানুহ বেয়া হয়।

তেজপুৰত বাণ ৰঙ্গমঞ্চ আছে।

### বাক্য ৰচনা কৰা।

অবিৰাম ..............................................................................................

জান-জুৰি ..............................................................................................

কুলু-কুলু ..............................................................................................

সুৰুঙা ..............................................................................................

ছিদ্ৰ ..............................................................................................

### জানো আহা

(ক) পাহাৰৰ পৰা পানী কুলু-কুলুকৈ বৈ আহিছে।

(খ) গছৰ পাতৰ পৰা পানী টপ্-টপ্কৈ পৰিছে।

'ক' বাক্যত পানী পাহাৰৰ পৰা বৈ আহিছে। এই ক্ষেত্ৰত কুলু-কুলু শব্দ ব্যৱহাৰ কৰা হৈছে। সেই একেদৰে 'খ' বাক্যত পানী গছৰ পাতৰ পৰা পৰিছে, এই ক্ষেত্ৰত টপ্-টপ্ শব্দ ব্যৱহাৰ কৰা হৈছে।


সেইদৰে নিজৰাৰ পৰা পানী বৈ আহিলে জিৰ্-জিৰ্ শব্দ হয়। ভেটা ভাঙি পানী বৈ গ'লে হৰ্-হৰ্ শব্দ হয়।

কোনো বস্তু বা প্ৰাণীয়ে যি কোনো কাৰ্য কৰোঁতে বিশেষ ধৰণৰ ধ্বনি সৃষ্টি কৰে। সেই ধ্বনি অনুকৰণ কৰি কোৱা বা লিখা শব্দবোৰক ধ্বন্যাত্মক শব্দ বা অনুকাৰ শব্দ বোলে।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

অনুকাৰ শব্দ জানো আহা





কাউৰীৰ — কা কা

ঘড়ীৰ — টং টং

বতাহৰ — হুৰ্ হুৰণি

ভোমোৰাৰ — গুণ্ গুণ্

চিকাৰ — চিক্ চিক্

**কাষৰ ডুলিৰ পৰা শব্দ আনি মিলাই লিখা।**




(ক) দুৱাৰ/খিৰিকী বতাহত বন্ধ হ'লে

(খ) বতাহত বাঁহে বাঁহে ঘঁহনি খালে

(গ) বেল বাজিলে

(ঘ) পানী উতলিলে

(ঙ) জেঠীয়ে মাতিলে

## গ —জ্ঞান সম্প্ৰসাৰণ

**পাঠটোত পানীয়ে নিজৰ বিষয়ে কৈছে। বেলিয়ে নিজৰ বিষয়ে ক'লে কেনেদৰে ক'ব লিখা।**

**লগে-ভাগে গাওঁ আহা**

পানী-মিঠৈ পানী-পিঠা
বিহুৰ বতৰত খাওঁ,
পানীলাউৰে বৰালি মাছ
কিযে সোৱাদ পাওঁ।
পানীখাইতীত পানী-কাউৰী
দেখিবলৈ যে নাই,
পানী-ভাত পানী-শিঙৰি
জহৰ দিনত খায়।


*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**'পানী'**ৰ লগত **'মেটেকা'** শব্দ যোগ হৈ **পানী-মেটেকা** হ'ল। এই ধৰণে **'পানী'** শব্দৰ লগত যোগ হোৱা আন কেইটামান শব্দ জানো আহা—

| | | |
|---|---|---|
| পানী-পিঠা | পানী-পৰুৱা | পানী-খাইতী |
| পানী-টেঙা | পানী-হিলৈ | পানী-শিঙৰি |
| পানী-ভাত | পানী-যুঁৰলি | পানী-পিপলী |
| পানী-মিঠৈ | পানী-কাউৰী | পানী-কেঁচুৱা |

ইয়াৰ বাহিৰে তোমালোকে নিজ নিজ ঠাইত ব্যৱহাৰ হোৱা এনেধৰণৰ শব্দবোৰ বিচাৰি লিখা।

**ছবিখন পৰ্যৱেক্ষণ কৰা।**



**ছবিখনৰ আধাৰত তলৰ বাক্যশাৰীৰ ভাব বহলাই লিখা।**

'ভাপ হৈ আকাশলৈ উৰোঁ, বৰষুণ হৈ পুনৰ ধৰালৈ ঘূৰোঁ।'

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*



কিছুমান বৃত্তি পানীৰ লগত জড়িত হৈ আছে। ছবি চাই সেইবোৰ কোৱা।





















নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

 সাঁথৰ ভাঙা।

(ক) টুপ্ টুপ্ টুপলি


পানী পালে মুকলি।

(খ) ৰজাৰ কাপোৰ তিয়াব পাৰি

শুকুৱাব নোৱাৰি।

 জানো আহা

বৰ্তমান সময়ত প্ৰাকৃতিক পৰিৱেশ বিনষ্ট হোৱাৰ আৰু গভীৰ নলী-নাদ বহুওৱাৰ ফলত ভূ-গৰ্ভৰ পানীৰ স্তৰ ক্ৰমান্বয়ে তললৈ নামিছে। সেইবাবে মানুহৰ খোৱা পানীৰ নাটনি হৈছে। এই নাটনি পূৰাবলৈ বৰষুণৰ পানী সংৰক্ষণ কৰাত গুৰুত্ব আৰোপ কৰা হৈছে। এইক্ষেত্ৰত চৰকাৰে উদগনিমূলক আঁচনি গ্ৰহণ কৰিছে। স্কুল, কলেজ আদিত বৰষুণৰ পানী সংৰক্ষণ কৰাৰ ব্যৱস্থা হাতত লৈছে।



*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*



তলৰ খণ্ডবাক্যকেইটাৰ অৰ্থ শিক্ষকৰ পৰা জানি লোৱা আৰু খণ্ডবাক্যকেইটাৰে বাক্য ৰচনা কৰা।

পানীত পৰ্    পানী কৰ্    পানীৰ তলৰ কাঁইট

## ঘ — প্ৰকল্প



- কি কি কামত পানীৰ প্ৰয়োজন হয় তাৰ এখন তালিকা কৰা।
- কেতিয়াবা যদি পানী নোহোৱা হয় নাইবা পৃথিৱীখন পানীয়ে বুৰাই থয়, তেতিয়া কি কি সমস্যা হ'ব পাৰে তলত দিয়া তালিকাত নথিভুক্ত কৰা।

| যদি পানী নোহোৱা হয় | যদি পৃথিৱীখন পানীয়ে বুৰাই থয় |
|---|---|
| ১। | ১। |
| ২। | ২। |
| ৩। | ৩। |
| ৪। | ৪। |
| ৫। | ৫। |

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*